স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

NIYOMIYA BARTA 01/07/19

# একপক্ষীয়ভাৱে বিদেশী নাগৰিক ঘোষণা কৰে ন্যায়াধিকৰণে

## উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মিহিৰ দেশাইৰ গুৱাহাটীত সংবাদ মেল

**ষ্টাফ ৰিপ'র্টাৰ, ৩০ জুন ঃ** প্ৰয়োজনীয় নথিপত্ৰ থকা সত্ত্বেও ব্যাপকসংখ্যক লোকক একপক্ষীয়ভাৱে বিদেশী ন্যায়াধিকৰণসমূহে বিদেশী ঘোষণা কৰি আহিছে। এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মিহিৰ দেশায়ে। আজি গুৱাহাটীত এখন সংবাদ মেল সম্বোধন কৰি তেওঁ সমগ্ৰ বিদেশী ন্যায়াধিকৰণ প্ৰক্ৰিয়াটোক লৈ ক্ষোভ ব্যক্ত কৰি কয় যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি) উন্নীতকৰণৰ ক্ষেত্ৰত বহু সময়ত ১৩ পৃষ্ঠাত

## একপক্ষীয়ভাৱে বিদেশী নাগৰিক

সাংবিধানিক নীতি-নিয়ম উলংঘা কৰা হৈছে। যাৰ বাবে সৰ্বসাধাৰণ ৰাইজ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। চূড়ান্ত এনআৰচি প্ৰকাশ কৰাৰ বাবে নিৰ্ধাৰিত সময় ধাৰ্য কৰাৰ ফলত এনআৰচি সেৱা কেন্দ্ৰ আৰু বিদেশী ন্যায়াধিকৰণৰ সদস্যসকলে নিৰ্ধাৰিত দিনৰ ভিতৰত সকলো কাম-কাজ শেষ কৰিবলৈ বিভিন্ন সময়ত বিসংগতি আৰু খেলিমেলি সংঘটিত কৰিছে। বিদেশী ন্যায়াধিকৰণৰ একাংশ সদস্যই খৰতকীয়াকৈ বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰাৰ ফলত সংখ্যালঘু জনসাধাৰণৰ মাজত এক আতংকৰ সৃষ্টি হৈছে। উল্লেখ্য যে চিটিজেন ফৰ জাষ্টিচ এণ্ড পীচ (চিজেপি)ৰ উদ্যোগত যোৱা ২৬ জুনৰ পৰা জ্যেষ্ঠ অধিবক্তা দেশাইৰ লগতে জ্যেষ্ঠ অধিবক্তা বৃন্দা গ্ৰ'ভাৰ, জ্যেষ্ঠ সাংবাদিক কল্পনা শৰ্মা, চিজেপিৰ সম্পাদক তিস্তা চেটালভাদসহ এটা প্ৰতিনিধি দলে মৰিগাঁও, নগাঁও, বিজনী আৰু চিৰাঙৰ বৃহত্তৰ অঞ্চলত এনআৰচিৰ খচৰাৰ পৰা বাদ পৰা, বিদেশী ঘোষিত আৰু ডি ভোটাৰৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পিছতে আজি সংবাদ মেল সম্বোধন কৰি দেশায়ে কয় যে বিদেশী ন্যায়াধিকৰণৰ কাম-কাজে একাংশ লোকৰ মাজত গভীৰ হতাশাৰ সৃষ্টি কৰিছে। ন্যায়াধিকৰণসমূহৰ সদস্যসকলৰ ন্যায়িক প্ৰশিক্ষণৰ লগতে ন্যায়িক মনোভাৱেৰে পৰিচালিত মানসিকতা থকা উচিত। কিন্তু বিদেশী ন্যায়াধিকৰণসমূহৰ কাম-কাজসমূহ স্বচ্ছ নহয়। জনসাধাৰণৰ চকুত ন্যায়াধিকৰণৰ কাম-কাজ স্পষ্ট নহয়। যাৰ ফলত ন্যায়াধিকৰণসমূহৰ কাম-কাজৰ সমগ্ৰ প্ৰক্ৰিয়াটোৱে একাংশ লোকক স্পৰ্শকাতৰ কৰি তোলাৰ লগতে বিদেশী ন্যায়াধিকৰণৰ বিৰুদ্ধে পক্ষপাতিত্ব আৰু অসংবেদনশীলতাৰ অভিযোগ আনিবলৈ বাধ্য কৰাইছে। বিদেশী ন্যায়াধিকৰণে ঘোষণা কৰা অধিকাংশই ভাৰতীয় বুলি উল্লেখ কৰি তেওঁ পুনৰ কয়— 'ভাৰতীয় হিচাপে সকলো তথ্যপাতি থকাৰ পিছতো বিদেশীৰ কলংক লৈ জীয়াই থাকিবলগীয়া হৈছে। এইক্ষেত্ৰত দৰিদ্ৰতাই মূল কাৰণ। দৈনিক ৫০ টকা উপাৰ্জন কৰা লোকজনে কিদৰে আইনী প্ৰক্ৰিয়া চলাই নিব? আৰ্থিক দৈন্যত ভুগি এইসকল সাধাৰণ খাটিখোৱা লোক একপক্ষীয় ৰায়ৰ বলি হ'বলগীয়া হৈছে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৱলী কঠোৰভাৱে বলৱৎ হ'ব লাগে।' সংবাদ মেলত উপস্থিত থকা বিশিষ্ট মানৱ অধিকাৰ কৰ্মী তিস্তা চেটালভাদে বিদেশীৰ ভাগ্য নিৰ্ণয় কৰা অসমৰ বিদেশী ন্যায়াধিকৰণসমূহে ইয়াৰ কাম-কাজত অধিক স্বচ্ছতা অনাৰ অৱকাশ আছে বুলি মন্তব্য কৰে। এই সন্দৰ্ভত তেওঁ কয়— 'আমি অসমৰ কেইবাখনো জিলা পৰিভ্ৰমণ কৰিছোঁ। এই পৰিভ্ৰমণ কালত দেখা পাইছো যে বহু অঞ্চলত প্ৰয়োজনী নথি থকা সত্ত্বেও তেওঁলোকক বিদেশী ঘোষণা কৰা হৈছে। মৰিগাঁও, নগাঁও আৰু চিৰাঙত নথিপত্ৰ থকা সত্ত্বেও বহু ব্যক্তিক বিদেশী ন্যায়াধিকৰণসমূহে বিদেশী বুলি ঘোষণা কৰিছে।' একে সময়তে তেওঁ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বাবে স্থাপন কৰা সেৱাকেন্দ্ৰসমূহ ৰাইজক সহায় কৰিবলৈহে স্থাপন কৰা বুলি উল্লেখ কৰি কয় যে অসম চুক্তিৰ ভিত্তিত এনআৰচি প্ৰস্তুত হোৱা উচিত, যাতে কোনো ভাৰতীয় নাগৰিক এনআৰচিৰ পৰা বাদ পৰি নাযায়। আজি সংবাদ মেলত ব্ৰহ্মপুত্ৰ ভেলী চিভিল ছ'চাইটীৰ কাৰ্যকৰী সভাপতি আব্দুল বাতিন খণ্ডকাৰ, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা আব্দুৰ ৰহিম শিকদাৰ, জাষ্টিচ ফ'ৰামৰ নেতা মতিউৰ ৰহমান, চিজেপিৰ সাধাৰণ সম্পাদক জমছেৰ আলী উপস্থিত থাকে।